- আঁতধৰোতাজনে নিজে অংশগ্রহণকাৰীসকলৰ সৈতে আলোচনাত অংশ নলয়।
- কোনো এক কেন্দ্রীভূত সমূহৰ সাক্ষাৎকাৰত অংশগ্রহণকাৰীসকলে আধাঘণ্টাৰ অধিক কথা কোৱা উচিত নহয়।

৫নং প্রশ্নৰ উত্তৰ ঃ কেন্দ্রীভূত সমূহে আপোনাক কি ক'ব পাৰে-

- এক নির্দিষ্ট বিষয়ৰ সন্দর্ভত একাংশ লোকে কি ভাবে তাৰ আভাস দিব পাৰে।
- এনে মত একাংশ লোকে কিয় পোষণ কৰে তাৰ কাৰণ জনাব পাৰে।
- গৱেষণাৰ পৰিকল্পনা আৰু শৈলী প্রস্তুত কৰাত সহায় কৰে।
- সমস্যাৰ পোণপটীয়া মূল্যায়নৰ অৱকাশ দিয়ে।

৬নং প্রশ্নৰ উত্তৰ ঃ কেন্দ্রীভূত সমূহে আপোনাক কি ক'ব নোৱাৰে-

- ব্যক্তি সর্ন্দভত নির্ভৰযোগ্য তথ্য।
- সময়ৰ সোঁতত এক নির্দিষ্ট বিষয়ৰ কেনেকৈ পৰিৱর্তন ঘটিল তাৰ নির্দিষ্ট তথ্য।
- আন ব্যক্তিসমূহৰ ক্ষেত্রতো প্রয়োগ কৰিব পৰা কোনো তথ্য।
- অধ্যয়নৰ বাবে যধে মধে নমুনা আগবঢ়াব নোৱাৰে।

১২.১১ আৰ্হি প্রশ্ন

ক) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ কেন্দ্রীভূত সমূহৰ আলোচনাৰ ধাৰণা ব্যাখ্যা কৰা।

প্রশ্ন ২ ঃ কেন্দ্রীভূত সমূহৰ আলোচনাৰ বাবে প্রশ্নাৱলী প্রস্তুত কৰাৰ প্রক্রিয়া ব্যাখ্যা কৰা।

প্রশ্ন ৩ ঃ এজন ভাল আঁতধৰোতাৰ প্রয়োজনীয় গুণসমূহ কি কি?

খ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ কেন্দ্রীভূত সমূহৰ আলোচনাৰ বাবে প্রয়োজনীয় ঢাপসমূহ উল্লেখ কৰা।

প্রশ্ন ২ ঃ কেন্দ্রীভূত সমূহৰ আলোচনাৰ বৈশিষ্ট্য ব্যাখ্যা কৰা।

প্রশ্ন ৩ ঃ কেন্দ্রীভূত সমূহৰ আলোচনাৰ সুবিধা আৰু অসুবিধাসমূহ আলোচনা কৰা।

*** ***** ***